

★ ৰাজ্যখনৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সংখ্যা ২০০১ চনৰ তিনিখনৰ পৰা বৰ্তমান ১৯ খনলৈ বৃদ্ধি।

★ বিদ্যালয়লৈ নোযোৱা শিশুৰ শতকৰা হাৰ ২০০২-০৩ চনৰ ২৪.৩৯ শতাংশৰ পৰা ২০১৩-১৪ চনত ১.৫০ শতাংশলৈ হ্ৰাস।

★ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ২০০১ চনৰ ৩৩.২৭ শতাংশৰ বিপৰীতে ২০১৩ চনত ৭০.৭১ শতাংশলৈ বৃদ্ধি।

★ মাধ্যামিক পৰীক্ষাত (বিজ্ঞান শাখাত) ২০০৩ চনত উত্তীৰ্ণৰ হাৰ ৬৩.৯৪ শতাংশৰ বিপৰীতে ২০১৪ চনত ৮৫.৩১ শতাংশলৈ বৃদ্ধি।

★ ২০০৭ চনত মাধ্যমিকত নাম ভৰ্তিৰ হাৰ ৪৩.৪ শতাংশৰ বিপৰীতে ২০১৩ চনত ৬৫.৫ শতাংশলৈ বৃদ্ধি পাইছে। আনহাতে উচ্চতৰ মাধ্যমিকত ছাত্ৰীৰ নামভৰ্ত্তিৰ হাৰ ২০০৭ চনত ৪৫.৯ শতাংশৰ বিপৰীতে ২০১৩ চনত ৭১.২ শতাংশ।

★ ২০১৩-১৪ বৰ্ষত ৫৩,৯৭৯ গৰাকী ছাত্ৰ-ছাত্ৰীক ৫,০০০ টকাকৈ ফিক্সড্ জলপানিৰ বাবে বাচনি কৰা হয়।

★ ২০০২-০৩ বৰ্ষত প্ৰাথমিক বিদ্যালয়ত ২৮,১৯,১৬৭ গৰাকী ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ বিপৰীতে ২০১৩-১৪ বৰ্ষত ৪১,৭০,২৯৭ গৰাকীলৈ বৃদ্ধি পাইছে।

★ ২০০২-০৩ বৰ্ষত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ সংখ্যা ১,২১,৬৬৩ গৰাকীৰ বিপৰীতে ২০১৩-১৪ বৰ্ষত ১,৭০,৩০০ গৰাকীলৈ বৃদ্ধি।



অলংকৰণ - পৰাগ মণি শৰ্মা

## ন-আশা, ন-প্ৰতিশ্ৰুতি

★ উচ্চ শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক উদ্‌গনি দিয়াৰ অৰ্থে শিক্ষাৰ্থীৰ ওপৰত বেংক ঋণৰ সুতৰ বোজা হ্ৰাস কৰাৰ ব্যৱস্থা লোৱা হৈছে। ৫০ শতাংশ সুত ৰাজ্য চৰকাৰে বহন কৰিব।

★ দুই লাখ ছাত্ৰ-ছাত্ৰীলৈ সৌৰচাকি প্ৰদানৰ ব্যৱস্থা।

★ অসামৰিক সেৱা, কেন্দ্ৰীয় চৰকাৰৰ অন্যান্য চাকৰি প্ৰত্যাশীসকলৰ বাবে প্ৰয়োজন হোৱা দিহা-পৰামৰ্শ তথা সহায় উপলব্ধ কৰিবলৈ ৰাজ্যখনত প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ ব্যৱস্থা গ্ৰহণ।

★ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ১৮ বছৰ অনূৰ্দ্ধৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া স্বাস্থ্যসেৱা আঁচনি আৰম্ভ কৰা হ'ব।

★ ৫০ বছৰৰ অধিক পুৰণি সকলো বিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ বাবে বিত্তীয় সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

★ সকলোবোৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰত্যেকলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে দুই কোটিকৈ টকা প্ৰদান কৰা হ'ব।

★ যাতায়তী সুবিধাকে ধৰি গুৱাহাটীত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা সকলো সুবিধা সম্পন্ন সংহত ছাত্ৰাৱাস চৌহদ নিৰ্মাণ কৰা হ'ব।

★ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সু-স্বাস্থ্য সুনিশ্চিত কৰাৰ বাবে বিদ্যালয়ত 'হেল্‌থ কাৰ্ড' প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

★ এই বছৰৰ পৰা বৰ্তমানে কাৰ্যক্ষম হৈ থকা গ্ৰাম্য পুথিভঁৰালসমূহলৈ প্ৰয়োজনীয় পুথি আৰু আলোচনী ক্ৰয়ৰ বাবে বাৰ্ষিক পুঁজি যোগান ধৰা হ'ব।

★ বিৱেকানন্দ যুৱ উন্নয়ন কেন্দ্ৰ প্ৰাৰম্ভনৰ ব্যৱস্থা কৰা হৈছে।

★ সমাজৰ বিভিন্ন ভাষাৰ অধ্যয়ন আৰু সংৰক্ষণ তথা দক্ষিণ-পশ্চিম এছিয়াৰ দেশসমূহৰ সৈতে এক যোগসূত্ৰ স্থাপনত সহায়ক হোৱাকৈ এখন প্ৰাচ্য অধ্যয়নৰ প্ৰতিষ্ঠান স্থাপনৰ ব্যৱস্থা কৰা হ'ব।

★ নলবাৰী, নগাঁও আৰু ওদালগুৰিত নতুনকৈ তিনিখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰা হ'ব।

★ ৰাজ্যখনত কাৰিকৰী শিক্ষাক ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীতকৰণ আৰু মানসম্পন্ন কৰাৰ অৰ্থে চৰকাৰে সময়ে সময়ে অন্যান্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ লগত যোগসূত্ৰ স্থাপন কৰিব।

★ ৩০ কোটি টকা ব্যয় সাপেক্ষে ১২ খন নতুন আদৰ্শ স্নাতক মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা।

তথ্য আৰু জনসংযোগ বিভাগ, অসম

Download more graphics at www.psdgraphics.com





# জ্ঞানৰ জ্যোতিৰে আলোকিত অসম

## সাফল্যৰ ১৪ টা বছৰ





**শিক্ষা হৈছে প্ৰগতিৰ আধাৰ, এখন ৰাষ্ট্ৰৰ মেৰুদণ্ড। শিক্ষাক সৰ্বোত্তম গুৰুত্ব প্ৰদান কৰি অসম চৰকাৰে বিগত ১৪ বছৰে ৰূপায়ণ কৰিছে বিভিন্ন আঁচনি। স্থাপন কৰিছে বুজন সংখ্যক বিদ্যালয়, শৈক্ষিক প্ৰতিষ্ঠান আৰু কেইবাখনো বিশ্ববিদ্যালয়। সমাজৰ প্ৰতিজন লোকৰ বাবে শিক্ষা সুনিশ্চিত কৰাৰ অৰ্থে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে যথোচিত পদক্ষেপ।**

## শিক্ষাৰ পোহৰে ৰচিছে নতুন দিগন্ত

★ ক-শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ সকলো শিশুৰ বাবে বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰি থকা হৈছে।

★ ছাত্ৰীসকলৰ লগতে অনুসূচিত জাতি, জনজাতি আৰু দাৰিদ্ৰ্য সীমাৰ তলৰ পৰিয়ালৰ ছাত্ৰৰ বাবে বিনামূলীয়া ইউনিফৰ্ম যোগান ধৰি থকা হৈছে।

★ ভেন্সাৰ প্ৰাথমিক বিদ্যালয়, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৪৫,০০০ গৰাকী কৰ্মৰত শিক্ষকৰ চাকৰি বৰ্তমানলৈকে প্ৰাদেশিকীকৰণ কৰা হৈছে।

★ ২০১৩-১৪ বৰ্ষৰ সময়ছোৱাত, চৰকাৰে ৬,৮০২ খন ভেন্সাৰ প্ৰাথমিক বিদ্যালয় আৰু স্বীকৃতি প্ৰাপ্ত উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ২০,৮৭৪ গৰাকী কৰ্মৰত শিক্ষকৰ চাকৰি প্ৰাদেশিকীকৰণ কৰিছে।

★ ছয় বাৰ পৰ্যন্ত শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষা (টেট্‌) অনুষ্ঠিত কৰা হৈছে, য'ত ৮৮,৫৭১ গৰাকী প্ৰাৰ্থী সফলতাৰে উত্তীৰ্ণ হৈছে।

★ যোৱা তিনিটা বছৰত সৰ্বশিক্ষা অভিযানৰ অধীনত বিভিন্ন সময়ত ৫২,৭৪৮ গৰাকী প্ৰাথমিক শিক্ষকক নিযুক্তি দিয়া হৈছে।

★ ২০১৪-১৫ বৰ্ষৰ সময়ছোৱাত টেট্‌ উত্তীৰ্ণ শিক্ষকৰ পৰা প্ৰাথমিক বিদ্যালয়ৰ ৮,৯১৩ টা সহকাৰী শিক্ষকৰ নিয়মীয়া খালী পদ পূৰণৰ প্ৰক্ৰিয়া চলি আছে ।

★ ২০১৩-১৪ আৰু ২০১৪-১৫ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ২,৪৯০ গৰাকী টেট্‌ উত্তীৰ্ণ স্নাতক শিক্ষক, ৬৩৭ গৰাকী টেট্‌ উত্তীৰ্ণ বিষয় শিক্ষক আৰু ৬২০ গৰাকী চতুৰ্থবৰ্গৰ কৰ্মচাৰীক নিযুক্তি দিয়া হৈছে।

★ শৈক্ষিকভাৱে অনগ্ৰসৰ ৮১ টা উন্নয়ন খণ্ডত আদৰ্শ বিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। ২০১৫ চনৰ পহিলা জানুৱাৰীৰ পৰা এনে চৈধ্যখন আদৰ্শ বিদ্যালয় কাৰ্যক্ষম হৈ উঠিছে।

★ হাইস্কুল শিক্ষান্ত, হাইমাদ্ৰাছা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম তিনিটা স্থান প্ৰাপ্ত মুঠ ১২ গৰাকী শিক্ষাৰ্থীলৈ "প্ৰয়াত দেৱকুমাৰ বৰা স্মাৰক নাছা ভ্ৰমণ- ২০১৪" আঁচনিৰ অধীনত ২০১৪ বৰ্যত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাছা ভ্ৰমণৰ সুবিধা প্ৰদান কৰা হৈছে।।

★ আনন্দৰাম বৰুৱা আঁচনিৰ অধীনত হাইস্কুল শিক্ষান্ত, হাইমাদ্ৰাছা আৰু সংস্কৃত টোলৰ চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰা মুঠ ২,০৯,৫৬১ গৰাকী মেধাবী শিক্ষাৰ্থীক কম্পিউটাৰঙ্গলেপটপ প্ৰদান কৰা হৈছে।

★২০১৩ আৰু ২০১৪ বৰ্ষত হাইস্কুলত ৫০% আৰু তাতকৈ অধিক নম্বৰ লাভ কৰাসকলক নেটবুক প্ৰদান কৰা হৈছে।

★মাধ্যমিক শিক্ষাৰ অধীনস্থ ১৬,১০৯ গৰাকী কৰ্মচাৰীৰ চাকৰিৰ লগতে ১,৫৫৪ খন শিক্ষানুষ্ঠানৰ প্ৰাদেশিকীকৰণ।

★ ২০১৩-১৪ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৯৫৮ খন ভেঞ্চাৰ শৈক্ষিক প্ৰতিষ্ঠানলৈ বিত্তীয় সাহায্য আৰু ৮৬৭ খন অতিৰিক্ত প্ৰতিষ্ঠানলৈ একেধৰণৰ সাহায্য প্ৰদানৰ প্ৰক্ৰিয়া চলি আছে।

★ বিভিন্ন শ্ৰেণীৰ ১১৩০ টা নতুন পদ সৃষ্টিৰে ২০১৪-১৫ বৰ্ষত উচ্চ শিক্ষা খণ্ডত ৫৭ খন ভেঞ্চাৰ মহাবিদ্যালয়ৰ সেৱা প্ৰাদেশিকীককৰণ।

★ ছয়খন ৰাজ্যিক বিশ্ববিদ্যালয়, ১০২ খন গ্ৰামাঞ্চলত অৱস্থিত মহাবিদ্যালয় আৰু ৪৫ খন প্ৰাদেশিকীকৃত মহাবিদ্যালয়লৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে অনুদান।

★ ১২ খন নতুন চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা।

★ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ অধীনত অসম ৰাজ্যিক উচ্চ শিক্ষা পৰিষদখন আনুষ্ঠানিকভাৱে গঠন কৰা হৈছে।

★ যোৰহাট বিজ্ঞান মহাবিদ্যালয়ক নতুনকৈ যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানলৈ উন্নীত কৰা হৈছে।

★ ইতিপূৰ্বে থকা ৯ খন পলিটেকনিকৰ আন্তঃগাঁথনি উন্নয়নৰ ব্যৱস্থা গ্ৰহণ।

★ ২১খন জিলাত নতুন পলিটেকনিকৰ কাম সন্তোষজনকভাৱে আগবাঢ়িছে।

★ ৰাজহুৱা আৰু বক্তিগত অংশীদাৰিত্ব পদ্ধতিৰ অধীনত গুৱাহাটীত এখন ভাৰতীয় তথ্য প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন। ইতিমধ্যে ইয়াৰ শৈক্ষিক বৰ্ষ আৰম্ভ হৈছে।





★ অসম কৃষি বিশ্ববিদ্যালয় চৌহদত যোৰহাটস্থিত মহিলা বিশ্ববিদ্যালয়ৰ শৈক্ষিক বৰ্ষ আৰম্ভ হৈছে।

★ সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰাপ্তবয়স্কসকলৰ মাজত সাক্ষৰতা, বুনিয়াদী আৰু বৃত্তিমূলক শিক্ষাৰ উৎকৰ্ষতাৰ বাবে আঠখন জিলাত 'মৌলানা আজাদ তালিম-ই-বালিঘান' নামৰ এখন নতুন আঁচনিৰ শুভাৰম্ভ।

★ গোলাঘাট, কৰিমগঞ্জ আৰু ধেমাজিত তিনিখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপনৰ ব্যৱস্থা। চলিত বিত্তীয় বৰ্ষৰ সময়ছোৱাত এই মহাবিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰা হ'ব।

